**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI

**Date :** 21-03-2025 **Time :** 1800 Hrs.

***Assamese Evening Bulletin***

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি ডিব্ৰুগড়ৰ মুখ্যমন্ত্ৰীৰ সচিবালয়ৰ চৌহদত জিলাখনৰ কৃত্ৰিম বানৰ সমস্যা আৰু ইয়াৰ সমাধান সন্দৰ্ভত এখন গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়। বৈঠকত ডিব্ৰুগড় পৌৰসভা, চহৰ আৰু নগৰ পৰিকল্পনা বিভাগকে ধৰি বিভিন্ন বিভাগৰ বিষয়াসকলৰ উপৰি কেবিনেট মন্ত্ৰী প্ৰশান্ত ফুকন উপস্থিত থাকে। ড০ শৰ্মাই নগৰখনত নিৰ্মাণ হৈ থকা মূল নলাৰ উপৰি অন্যান্য নলা-নৰ্দমাসমূহৰ নিৰ্মাণকাৰ্য শীঘ্ৰেই সম্পূৰ্ণ কৰিবলৈ সংশ্লিষ্ট বিভাগক নিৰ্দেশ দিয়ে। কৃত্ৰিম বানে যাতে জনসাধাৰণক বিপৰ্যস্ত কৰিব নোৱাৰে তাৰ বাবে জাৱৰ নিষ্কাষণকে ধৰি আনুষংগিক কামসমূহ শীঘ্ৰেই সম্পন্ন কৰিবলৈ মুখ্যমন্ত্ৰীয়ে বিভাগীয় কৰ্তৃপক্ষক নিৰ্দেশ দিয়ে। এই বৈঠকতে মুখ্যমন্ত্ৰীগৰাকীয়ে বিগত বৰ্ষৰ ২৩ ডিচেম্বৰত এই বিষয়ক এখন বৈঠকত গ্ৰহণ কৰা সিদ্ধান্তসমূহৰ কাৰ্যকৰীকৰণৰ সন্দৰ্ভত গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগে প্ৰস্তুত কৰা প্ৰতিবেদনৰ বিতংভাৱে পৰ্যালোচনা কৰে। ড০ শৰ্মাই আজি বিধায়কসকলৰ সমন্বিতে ডিব্ৰুগড়ত বিধানসভা ভৱন আৰু বিধায়কৰ আৱাসগৃহ নিৰ্মাণৰ বাবে ভূমি পৰিদৰ্শন কৰে।

০০০০০০

বিশ্বৰ ভিন ভিন প্ৰান্তৰ লগতে অসমতো কৰ্কট ৰোগৰ প্ৰাৰ্দুভাৱ দিনক দিনে বৃদ্ধি পোৱাৰ প্ৰতি লক্ষ্য ৰাখি ৰাজ্য চৰকাৰৰ স্বাস্থ্য বিভাগৰ অধীনৰ অসম কেন্সাৰ কেয়াৰ ফাউণ্ডেচন, ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান আৰু টাটা ট্ৰাষ্টৰ সহযোগত এই ৰোগ নিয়ন্ত্ৰণ আৰু প্ৰতিৰোধৰ বাবে অহৰহ প্ৰচেষ্টা চলোৱা হৈছে। বিধানসভাত আজি এইকথা প্ৰকাশ কৰি স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী অশোক সিংহলে কয়, যে ৰাজ্যখনত আজি পৰ্যন্ত ২ হাজাৰ ৬২১ গৰাকী কৰ্কট ৰোগী চিনাক্ত কৰা হৈছে। মন্ত্ৰীগৰাকীয়ে তামোল পাণ, ধঁপাত, অত্যধিক মদ্যপান, অত্যধিক মছলাযুক্ত খাদ্যৰ সেৱনকে ধৰি কৰ্কট ৰোগ হ'ব পৰা বিভিন্ন কাৰকৰ কথা উল্লেখ কৰি কয়, যে এই ৰোগ প্ৰতিৰোধৰ বাবে ৰাজ্যৰ প্ৰতিখন জিলাতে জনসাধাৰণক সচেতন কৰাৰ উদ্দেশ্যে প্ৰচাৰ আৰু প্ৰসাৰৰ কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে। তেওঁ কয়, যে ৩০ বছৰৰ উৰ্ধৰ ব্যক্তিসকলৰ বাবে তিনিটা সাধাৰণ কৰ্কট ৰোগৰ স্বাস্থ্য পৰীক্ষাৰ ব্যৱস্থা আছে। তদুপৰি মহিলাসকলক স্তন পৰীক্ষাৰ সঠিক পদ্ধতিসমূহ শিকোৱাৰ লগতে নিয়মীয়াকৈ পৰামৰ্শ আগবঢ়োৱা আৰু আয়ুষ্মান আৰোগ্য মন্দিৰত আগতীয়াকৈ এই ৰোগ চিনাক্তকৰণৰ বাবে স্বাস্থ্য পৰীক্ষা কৰোৱাৰো সুবিধা আছে বুলি শ্ৰীসিংহলে জানিবলৈ দিয়ে।

০০০০০০

অসম বিধানসভাত আজি চাৰিখন নতুন বিধেয়ক আৰু এঘাৰখন সংশোধনী বিধেয়ককে ধৰি মুঠ ১৫ খন বিধেয়ক উত্থাপন কৰা হয়। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে মহাবিদ্যালয়ৰ পৰা বিশ্ববিদ্যালয়লৈ নতুনকৈ উন্নীত কৰা বঙাইগাঁও বিশ্ববিদ্যালয়, গুৰুচৰণ বিশ্ববিদ্যালয়, জগন্নাথ বৰুৱা বিশ্ববিদ্যালয়, নগাঁও বিশ্ববিদ্যালয়, নৰ্থ লখিমপুৰ বিশ্ববিদ্যালয়, শিৱসাগৰ বিশ্ববিদ্যালয়, শ্বহীদ কনকলতা বৰুৱা বিশ্ববিদ্যালয় আৰু কোকৰাঝাৰ বিশ্ববিদ্যালয়ৰ বাবে মুঠ ৮ খন সংশোধনী বিধেয়ক উত্থাপন কৰে। এই সংশোধনীৰ জৰিয়তে নতুনকৈ বিশ্ববিদ্যালয়লৈ উন্নীত হোৱা শিক্ষানুষ্ঠানকেইখনত প্ৰথমগৰাকী উপাচাৰ্য নিয়োগ কৰা হ'ব। তদুপৰি ভৱিষ্যতে এই বিশ্ববিদ্যালয়সমূহত ৰাজ্যপালে উপাচাৰ্যক নিয়োগ কৰিব। ডাঃ পেগুৱে বিধানসভাত অসম ব্যক্তিগত বিশ্ববিদ্যালয় সংশোধনী বিধেয়কো উত্থাপন কৰে। এই সংশোধনী বিধেয়কত ব্যক্তিগত বিশ্ববিদ্যালয়সমূহত নতুন কাৰিকৰী আৰু চিকিৎসা বিজ্ঞান পাঠ্যক্ৰম প্ৰণয়নত নিষেধাজ্ঞা জাৰি কৰাৰ লগতে ধৰ্মান্তকৰণমূলক কাৰ্যকলাপৰ ক্ষেত্ৰতো নিষেধাজ্ঞা আৰোপ কৰা হৈছে। তদুপৰি এই সংশোধনী বিধেয়কত ব্যক্তিগত বিশ্ববিদ্যালয়সমূহত প্ৰতি তিনিবছৰৰ মূৰে মূৰে চৰকাৰী বিষয়াই পৰিদৰ্শন কৰিব বুলি উল্লেখ কৰা হৈছে। শিক্ষামন্ত্ৰীগৰাকীয়ে আজি সদনত দি আছাম ক'চিং ইনষ্টিটিউটছ্ কন্ট্ৰল এণ্ড ৰেগুলেচন বিধেয়খন উত্থাপন কৰে।

০০০০০০০

ঢকুৱাখনা সমষ্টিৰ ঘিলামৰাৰ কান্ত খনিকৰ উচ্চ মাধ্যমিক বিদ্যালয় প্ৰাংগণত নিৰ্মাণ হ'বলগীয়া ছোৱালী ভলীবল প্ৰশিক্ষণ কেন্দ্ৰ আৰু সাজসজ্জা ভৱনৰ নিৰ্মাণকাৰ্যৰ আজি শুভাৰম্ভ কৰা হয়। ২০২৪-২৫ বৰ্ষৰ বিধায়ক এলেকা উন্নয়ন পুঁজিৰে নিৰ্মাণ হ'বলগীয়া এই প্ৰশিক্ষণ কেন্দ্ৰই অঞ্চলটোৰ ছোৱালীসকলক ক্ৰীড়াৰ ক্ষেত্ৰত আগবাঢ়ি যোৱাত সহায় কৰিব বুলি আশা কৰা হৈছে। আজিৰ কাৰ্যসূচীত

লখিমপুৰৰ বিধায়ক নৱ কুমাৰ দলে, জিলা পৰিষদৰ প্ৰাক্তন সভানেত্ৰী মঞ্জু বৰগোঁহাইকে ধৰি ক্ৰীড়া ক্ষেত্ৰৰ সৈতে জড়িত কেইবাগৰাকী বিষয়ববীয়া উপস্থিত থাকে।

বিধায়ক দলেই আজি ঘিলামৰা অঞ্চলত জ্যেষ্ঠ নাগৰিক সন্মিলন আৰু ঘিলামৰা আঞ্চলিক পেঞ্চনাৰ সন্থাৰ নৱনিৰ্মিত ভৱনো উদ্বোধন কৰা হয়। তেওঁ লগতে একেটা স্থানতে প্ৰয়াত বিষ্ণু বৰুৱা আৰু প্ৰয়াত ইন্দুপ্ৰভা গগৈ বৰুৱাৰ সোঁৱৰণত পৰিয়ালে আগবঢ়োৱা ভৱন মঞ্চও আনুষ্ঠানিকভাৱে মুকলি কৰে।

০০০০০০

কাৰ্বি আংলং জিলা প্ৰশাসনৰ উদ্যোগত আজি ডিফুৰ আৱৰ্ত ভৱনত যুৱ সংসদ অনুষ্ঠিত হয়। জিলাখনৰ বিভিন্ন শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা পৰিচালিত যুৱ সংসদত প্ৰথমে নতুন মন্ত্ৰীসকলক সদনত পৰিচয় কৰাই দিবলৈ অধ্যক্ষই প্ৰধানমন্ত্ৰীক অনুৰোধ জনায়। ইয়াৰ পাছত বিৰোধীৰ ভূমিকাত অৱতীৰ্ণ সাংসদসকলে সদনত বিভিন্ন বিষয়ৰ প্ৰশ্ন উত্থাপন কৰে। সংসদৰ শূন্য কালত নিবনুৱা সমস্যা, কৰ্ম সংস্থাপন, পৰ্যটন, সামাজিক সুৰক্ষা আৰু নাৰী সৱলীকৰণ সন্দৰ্ভত সদনত বিৰোধী পক্ষই শাসক পক্ষৰ পৰা উত্তৰ বিচাৰে। উল্লেখযোগ্য যে উৎসাহ-উদ্দীপনাৰে আৰম্ভ হোৱা যুৱ সংসদৰ জৰিয়তে নৱ-প্ৰজন্মৰ শিক্ষাৰ্থীসকলে ভাৰতীয় সংসদীয় পৰিচালনা বিধি, কৰ্তব্য আৰু দায়িত্ব, জনমত গঠন, নাগৰিকৰ সমস্যা সম্পৰ্কে অৱগত হ'ব বুলি আয়োজকসকলে আশা প্ৰকাশ কৰিছে।

০০০০০০০

তিৱা সাহিত্য সভাৰ ত্ৰয়োদশ সংখ্যক ত্ৰি-বাৰ্ষিক কেন্দ্ৰীয় অধিৱেশন আজি তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে ঔজাৰীৰ স্বৰ্গীয় জেমন চন্দ্ৰ বৰদলৈ ক্ষেত্ৰত আৰম্ভ হৈছে। আজি পুৱাৰ ভাগত তিৱাসকলৰ ঐতিহ্যমণ্ডিত গোভা ৰজা দীপসিং দেওৰজাই অধিৱেশনস্থলীৰ মূল দ্বাৰ উন্মোচন কৰে। তিৱা স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য জীৱন চন্দ্ৰ কোঁৱৰ, অধ্যক্ষ মদন বৰদলৈ প্ৰমুখ্যে বহুকেইগৰাকী বিশিষ্ট ব্যক্তিয়ে এই অনুষ্ঠানত অংশগ্ৰহণ কৰে। ইয়াৰ পাছতে তিৱা সাহিত্য সভাৰ সাধাৰণ সম্পাদক ড° বিদ্যুৎ বিকাশ সেনাপতিয়ে স্মৃতি তৰ্পণ কাৰ্যসূচী মুকলি কৰে। অধিৱেশনস্থলীত স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য জীৱন চন্দ্ৰ কোঁৱৰে ডেকাচাং আৰু মৰিগাঁৱৰ বিধায়ক ৰমাকান্ত দেউৰীয়ে বৰঘৰ উন্মোচন কৰে। ইয়াৰ পাছতে মন্ত্ৰী পীযুষ হাজৰিকাই অধিৱেশনস্থলীত আয়োজিত গ্ৰন্থমেলাৰ দ্বাৰ উন্মোচন কৰে।

০০০০০০০

**সমাপ্ত**